# প্ৰৱাহিতা পায়স্বিনীৰ অপৰূপ সৌন্দৰ্য্য

পায়স্বিনী হৈছে কৰ্ণাটক আৰু কেৰালাৰ মাজেৰে বৈ গৈ আৰৱ সাগৰত পৰা এখন নদী। এই নদীখনৰ মনোমোহা দৃশ্যই মোক কিদৰে মন্ত্ৰমুগ্ধ কৰে তাকে লিখিব খুজিছো।

মই মোৰ কামৰ বাবে কেৰালালৈ বছেৰেকত ৪/৫ বাৰ মান যাব লাগে। কাছাৰগোদ হৈছে কেৰালাৰ একেবাৰে উত্তৰ প্ৰান্তৰ জিলা। এই জিলাৰ সদৰ কাছাৰগোদ নগৰৰ পৰা প্ৰায় ২৫/৩০ কিলোমিটাৰ মান দূৰত বডিড়িকা নামৰ এখন ঠাই আছে। তাত থকা Marthoma College of Special Education ত ২০০৩ চনৰে পৰা মই পঢ়াবলৈ আহি আছো। এই কলেজখন Kerala University of Health Sciences ৰ অধীনত। তাত মই দুটা কৰ্ছ পঢ়াও। BASLP (Bachelor of Audiology and Speech, Language Pathology) ত Phonetics আৰু Linguistics আৰু MASLP অৰ্থাৎ স্নাতকোত্তৰ পৰ্য্যায়ত Clinical Linguistics পঢ়াও।

তালৈ কৰ্ণাটকৰ পৰা যাবলৈ কেইবাটাও বাট আছে। মাইচুৰৰ পৰা যাবলৈ হ'লে বাচেৰে গৈ কৰ্ণাটক আৰু কেৰালাৰ সীমান্তত কৰ্ণাটকৰ দক্ষিণ কানাড়া জিলাৰ চুল্লিয়া নামৰ ঠাইত নামি বাচেৰে বা গাড়ীৰে বডিড়িকালৈ যাব পাৰি। নহলে ৰে'লেৰে গৈ কাছাৰগোদৰ পৰা গাড়ীৰে যাব পাৰি। নতুবা মাংগালোৰ চহৰলৈ গৈ তাৰ পৰা বাচ বা ৰে'লেৰে কাছাৰগোদলৈ যাব পাৰি। মোৰ যি সময়ত যি দৰে সুবিধা হয় সেইদৰেই তিনিটা বিকল্পৰ এটা বাচি লও। কেতিয়াবা মাংগালোৰলৈ (মই তাতো পঢ়াবলৈ যাওঁ) গ'লে তাৰ পৰাই ৩/৪ দিনৰ বাবে পাক মাৰি আহোঁ। আজিকালি অৱশ্যে প্ৰায়েই মই ইয়াৰ পৰা বাচেৰে চুল্লিয়ালৈকে যাওঁ আৰু তাৰ পৰা তেওঁলোকৰ গাড়ীৰে মোক লৈ যায়। ঘুৰি আহোঁতে সাধাৰণতেই কাছাৰগোদ নগৰৰ পৰা ৰে'লেৰে আহো।

মই চুল্লিয়া হৈ কেৰালাত সোমাবলৈ ভাল পাওঁ এটা বিশেষ কাৰণে। পায়স্বিনী নদীৰ সমান্তৰাল ৰাস্তাৰে গৈ থাকোতে নৈসৰ্গিক সৌন্দৰ্য্য উপভোগ কৰিব পাৰো।

পায়স্বিনী নদীৰ উৎস হৈছে কৰ্ণাটকৰ কুৰ্গ অৰ্থাৎ ক'ডাগ' জিলাৰ কইনাডু নামৰ গাওঁ এখনত। নদীখন উত্তৰ পশ্চিম দিশেৰে বৈ দক্ষিণ কানাড়া জিলাৰ চুল্লিয়া তালুকত সোমায়। চুল্লিয়াৰ মাজেৰে কেই কিলোমিটাৰ মান বৈ যোৱাৰ পিছত নদীখনৰ গতি সলনি হয় আৰু কেৰালাত সোমায় আৰু কাছাৰগোদ জিলাৰ মাজেৰে বৈ গৈ আৰৱ সাগৰত পৰে। নদীখনৰ সম্পূৰ্ণ দৈৰ্ঘ্য হৈছে ১০৫ কিলোমিটাৰ। কৰ্ণাটকত আৰু কেৰালাৰ কিছু অংশলৈকে পায়স্বিনী নামেৰে জনা যায় যদিও কাছাৰগোদৰ কোনোবা এটা অংশৰ পৰা নাম সলনি হৈ চন্দ্ৰগিৰি হয়। আৰৱ সাগৰত

পৰাৰ ঠিক আগে আগে এই নদীৰ পাৰতে আছে বিখ্যাত চন্দ্ৰগিৰি দূৰ্গ। ই বিখ্যাত বেকেল দূৰ্গৰ পৰা মাত্ৰ চাৰিকিলোমিটাৰ দূৰত। শুনিবলৈ পাইছো চন্দ্ৰগিৰি আৰু আৰৱ সাগৰৰ সংগমৰ অপূৰ্ব্ব সুন্দৰ দৃশ্য এই দূৰ্গৰ পৰা ভালদৰে দেখি। সূৰ্য্যাস্তৰ দৃশ্যও হেনো অতি মনোমোহা। এই সংগমৰ ওচৰৰ ঠাইৰ নামো চন্দ্ৰগিৰি। বিশ্বাস কৰা হয় যে মৌৰ্য্য সম্ৰাট চন্দ্ৰগুপ্তৰ নাম অনুসৰি এই নাম হৈছে। চন্দ্ৰগুপ্ত মৌৰ্য্যই হেনো সন্যাসীৰ দৰে জীৱনৰ শেষ কালচোৱা ইয়াতে কটাইছিল।

মোৰ ইমানদিনে ধাৰণা আছিল যে ব্ৰহ্মপুত্ৰ আৰু গংগাৰহে বিভিন্ন নাম আছে। এতিয়া দেখিছো আন নদীৰ ক্ষেত্ৰতো এই কথা সঁচা। অৱশ্যে ভাষাবিজ্ঞানী হিচাবে মোৰ মনত আন এটা প্ৰশ্নৰহে উদয় হয়। ‘পায়স্বিনী’ শব্দটো সংস্কৃত শব্দ – ইয়াৰ অৰ্থ হৈছে গৰুৰ গাখীৰৰ দৰে বিশুদ্ধ আৰু বগা। ভাৰতবৰ্ষৰ একেবাৰে দক্ষিণ প্ৰান্তৰ নদী এখনৰ সংস্কৃত নাম কেনেকৈ হ’ল ? এইটো সত্য যে তামিল ভাষাৰ বাহিৰে বাকী সকলোবোৰ মূল দ্ৰাবিড় ভাষাতে সংস্কৃতৰ প্ৰভাৱ অপৰিসীম। কান্নাড়া ভাষাৰ শব্দকোষৰ প্ৰায় ৭০ ভাগ শব্দ সংস্কৃতৰ পৰা অহা। কিন্তু নদীখন অনাদিকালৰ পৰাই বৈ আহিছে – অৰ্থাৎ দ্ৰাবিড় ভাষাত সংস্কৃতৰ প্ৰভাৱ পৰাৰ বহুত আগৰে পৰাই। হয়তো আগতে বেলেগ নাম আছিল আৰু পিছত সংস্কৃতৰ প্ৰভাৱত এই নাম হ’ল। মই জানো যে এই প্ৰশ্নৰ উত্তৰ সহজে নাপাও।

কেৰালাৰ প্ৰাকৃতিক সৌন্দৰ্য্য অত্যন্ত মনোমোহা – অসমৰ লগত বহুত মিলে। কেৰালা প্ৰথম দেখা অসমীয়া মানুহে কয় ‘একেবাৰে অসমৰ দৰে’ আৰু অসম প্ৰথম দেখা মালায়ালী মানুহে কয় ‘একেবাৰে কেৰালাৰ দৰে।’ মই কেৰালাৰ বিভিন্ন ঠাইলৈ বিভিন্ন বাটেৰে গৈছো আৰু প্ৰাকৃতিক সৌন্দৰ্য্য উপভোগ কৰিছো যদিও চুল্লিয়াৰ পৰা কেৰালাত প্ৰৱেশ কৰি পায়স্বিনী নদীৰ কিনাৰে কিনাৰে গাড়ীত গৈ থকাৰ আনন্দ সম্পূৰ্ণ বেলেগ। অৱশ্যে আজি ১০/১২ বছৰমানৰ আগতে আৰু এটা তেনে অভিজ্ঞতা হৈছিল। মই কেৰালাৰ শৰনুৰ নামৰ ঠাইত থকা এটা প্ৰতিষ্ঠানত এলানি বক্তৃতা দিবলৈ গৈছিলো। মোৰ কাম শেষ হোৱাৰ পিছত সেই সময়ত তাতে চাকৰী কৰি থকা মোৰ প্ৰাক্তন ছাত্ৰী নিত্যাই কেলিকট (তাইৰ ঘৰ) লৈ যাবলৈ যোৰ কৰাত তাইৰ লগতে গৈছিলো। আমি শৰনুৰৰ পৰা কেলিকটলৈ ৰে’লেৰে গৈ থাকোতে দেখা পাইছিলো ভাৰতপূৰা নদী। ৰে’ল লাইনটো কেইবা কিলোমিটাৰ ধৰি নদীৰ সমান্তৰাল হোৱাৰ বাবে নদীৰ বিস্তীৰ্ণ জলৰাশিৰ সৌন্দৰ্য্য মুক্তমনেৰে উপভোগ কৰিব পাৰিছিলো। নিত্যাই মোৰ বাবে খিড়িকিৰ কিনাৰত চিট এটাৰ যোগাৰ কৰিছিল। সেই যাত্ৰাৰ কথা মই আজিও পাহৰিব পৰা নাই। মই তেতিয়া বাৰে বাৰে ভাবিছিলো গুৱাহাটীৰ পৰা যোৰহাটলৈ যদি ব্ৰহ্মপুত্ৰৰ কাষে কাষে এটা ৰে’লপথ থাকিলহেতেন তেনেহ’লে সেই ৰে’লযাত্ৰা হয়তো পৃথিৱীৰ ভিতৰতে অতুলনীয় হ’লহেতেন।

চুল্লিয়াৰ পৰা কেৰালাৰ মুলেৰিয়ালৈকে যোৱা এই বিতোপন পথ মই আবিষ্কাৰ কৰা বৰ বেছি বছৰ হোৱা নাই। প্ৰথমতে ডুবাৰমান আন্ধাৰ হোৱাৰ বাবে অৰণ্যই ঢাকি ৰখা নদীখন চকুতে পৰা নাছিল। প্ৰথমবাৰ যেতিয়া দিনৰ পোহৰত পায়স্বিনী নদীৰ সৌন্দৰ্য্য দেখি মন্ত্ৰমুগ্ধ হৈছিলো সেইসময়ত কৰ্ণাটকৰ মুখ্যমন্ত্ৰী আছিল সদানন্দ গৌড়া। তেখেত বৰ্ত্তমান কেন্দ্ৰীয় আইনমন্ত্ৰী। মোৰ ভালদৰে মনত আছে গাড়ীৰ ড্ৰাইভাৰ হৰিশে মোক নদীখনৰ সিপাৰৰ এক বিশেষ ঠাইলৈ আঙুলিয়াই কৈছিল "আপোনালোকৰ মুখ্যমন্ত্ৰী সদানন্দ গৌড়াৰ ঘৰ সেইখিনিতে।" সেই অঞ্চলত নদীখনেই সীমাৰেখা – নদীৰ সিপাৰে কৰ্ণাটক।

চুল্লিয়াৰ পৰা সোমাই গ'লে নদীখন ৰাস্তাৰ বাওঁহাতে পৰে। পাহাৰীয়া ৰাস্তাৰ দুয়োফালে ঘন বণাণি। নদী আৰু ৰাস্তাৰ মাজত বিভিন্ন ধৰণৰ ওখ গছ। গছৰ ফাঁকে ফাঁকে নদীখন দেখা পোৱা যায়। মাজে মাজে গছে এনে ধৰণেৰে ঢাকি ধৰে যে নদীখন চকুতে নপৰে – এনে লাগে যেন পায়স্বিনীয়ে পথিকৰ লগত লুকাভাকুহে খেলিছে। নদীৰ দুয়ো পাৰৰ মাজত যোগাযোগৰ বাবে এখন কাঠৰ ওলোমা দলং আছে। সেই দলংখন দেখাৰ লগে লগে মোৰ ভূপেন হাজৰিকাৰ গীত "টিৰাপ সীমান্ত, ৰূপৰ নাই অন্ত"লৈ বিশেষকৈ "বাঁহৰ ওলোমা সাকোঁৰে তাংচা খেতিয়ক পাৰ হয়" ষাৰিলৈ মনত পৰে। এই দলংখন কাঠৰ যদিও অতি সৰু-গাড়ী মটৰ যাব নোৱাৰে – কেৱল চাইকেল, স্কুটাৰ আৰু খোজ কাঢ়ি যোৱা মানুহ যাব পাৰে।

দলংখন দেখিলে মোৰ এনে লাগে যেন গাড়ীৰ পৰা ওলাই দৌৰ মাৰি দলং পামগৈ। ৰাস্তাটো বহুত ওপৰত হোৱাৰ বাবে দলঙত উঠিবলৈ হ'লে তললৈ নামি যাব লাগে। এজনী ১৬ বছৰীয়া ছোৱালীৰ দৰে দৌৰি দৌৰি দলঙৰ সিটো মূৰ পামগৈ যেন লাগে। সেই মুহূৰ্তত পাহৰি যাও যে মোৰ বয়স তিনিকুৰিৰো উৰ্ধত।

তাৰিখ মনত নাই যদিও ২০১৪ চনৰ জুনমাহৰ আৰম্ভণিতে মই এবাৰ সেই ৰাস্তাৰে গৈছিলো। তাৰ ঠিক কিছুদিনৰ আগতে কেন্দ্ৰত বিজেপিৰ চৰকাৰ গঠন হৈছিল। কাৰণ হৰিশে (ড্ৰাইভাৰ) কোৱা মনত আছে "আপোনালোকৰ সদানন্দ গৌড়া ৰে'লমন্ত্ৰী হ'ল। আপুনি তেখেতলৈ লিখক পায়স্বিনী নদীৰ ওপৰেদি এটা ৰেলপথ নিৰ্মাণ কৰি এখন নতুন ৰে'ল আৰম্ভ কৰিবলৈ – তেতিয়া আপুনি মাইচুৰৰ পৰা অতি সহজে আহিব পাৰিব।" মই ক'লো "নদীৰ ওপৰেদি আহিলে কি মজা লাগিব? এক চেকেণ্ডতে নদীখন পাৰ হ'ব পাৰিম – কিনাৰেদি দিলেহে অহা যোৱা কৰিবলৈ ভাল লাগিব।" হৰিশৰ মাতৃভাষা মালয়ালম যদিও কান্নাড়া ভালদৰে জানে বাবে কথা বতৰা পাতিবলৈ সুবিধা। সীমান্তবৰ্ত্তী অঞ্চল বাবে অধিকাংশ লোকেই অলপ অলপ কান্নাড়া জানে বাবে মোৰ কেতিয়াও ক'তো অসুবিধা হোৱা নাই। সেইবাৰ কিছু পোহৰ হৈ থাকোতেই দলঙৰ ওচৰ পোৱাত মই হৰিশক গাড়ী ৰখাবলৈ ক'লো। মই তাক ক'লো যে সি নাহিলেও হ'ব কাৰণ

মই দলঙৰ মাজভাগলৈকেহে যাম – সিপাৰলৈকে নাযাও। মই গাড়ীৰ পৰা নামি লাহে লাহে মূল ৰাস্তাৰ পৰা নামি যোৱা সৰু ৰাস্তাৰে দলঙৰ ফালে আগবাঢ়িলো। দলঙত উঠি কিছুদূৰ যোৱাৰ পিছিত দেখিলো হৰিশো নামি আহিছে। সি চাগে ভাবিলে "পৰি ধৰি এই বুঢ়ীজনীৰ হাত ভৰি ভাগিলে মোৰ চাকৰীটো যাব।" অৱশ্যে তাৰ দৰে চফল ডেকা ল'ৰা এটা মোৰ লগত থকাত সাহো বাঢ়িল আৰু কথাবতৰা পাতিবলৈকো লগ এটা হ'ল। আধাঘণ্টামান সূৰ্য্যাস্তৰ সময়ৰ নৈসৰ্গিক সৌন্দৰ্য্য উপভোগ কৰিলো। ইমানদিনৰ হেপাহ এটা পূৰণ হোৱাত ভাল লাগিল।

মই যোৱা ১২ তাৰিখ দেওবাৰেও সেই একে বাটেৰেই বডিড়িকালৈ গৈছিলো। আজিকালি হৰিশ নাই – চুপি নামৰ ড্ৰাইভাৰ এজন আহে। তেৱোঁ কান্নাড়া জানে বাবে কোনো অসুবিধা নাই। মই কেৰালা সোমোৱাৰ লগে লগে দলং খনৰ ওচৰত কিছুসময়ৰ বাবে ৰখাবলৈ ক'লো। দলঙৰ ওচৰত ৰখাই চুপিয়ে নামিম নেকি সুধিলে। মই নানামো বুলি কোৱা স্বত্বেও বাৰে বাৰে ক'লে যে লাগিলে মই দলঙেৰে সিটো মূৰলৈ যাব পাৰো আৰু তেওঁও মোৰ লগে লগে যাব। চুপিয়ে ৰমাজানৰ ৰোজা ধৰি আছে আৰু আমাৰ দেৰি হ'লে তেওঁৰ সান্ধ্যভোজন দেৰি হৈ যাব। গতিকে মই নালাগে বুলি ক'লো। কিছুসময় ৰৈ তাৰপৰাই দলংখন ভালদৰে চালো। দলঙৰ দুই মূৰে দুটাকে ডাঙৰ ডাঙৰ পকাৰ খুটা। প্ৰকৃততে গোটেই দলংখনৰ ভাৰ এই খুটা চাৰিটাই বহন কৰিছে।

তেতিয়াও সূৰ্য্যাস্ত হোৱা নাছিল। গতিকে নদীৰ ফালে অপলক দৃষ্টি অব্যাহত ৰাখি পাহাৰৰ ওখোৰা মোখোৰা ৰাস্তাৰে আগুৱাই গ'লো। স্বচ্ছ পানীৰ তলৰ শিলবোৰ চকুত পৰিছিল। মনত পৰিছিল অৰণ্য নামৰ বোলছবিখনৰ গান 'শিলে শিলে ঠেকা খালে নিজৰাৰে পানী। এচেৰেঙা ৰঙা ৰ'দে ৰং দিলে সানি।' এই কথাটো পায়স্বিনীৰ ক্ষেত্ৰতো খাটে। অৱশ্যে পায়স্বিনী নিজৰা নহয় – এখন নদী। মই অৱশ্যে এচেৰেঙা ৰঙা ৰ'দে ৰং সানি দিলে পায়স্বিনীৰ ৰূপ কেনে হয় নাজানো কাৰণ মই যাওঁতে প্ৰায়ে আন্ধাৰ হ'বৰ হয়। এইবাৰ ঘূৰি আহোঁতে সেই বাটেৰেই আগবেলাতে অহাৰ কথা আছিল বাবে ৰ'দৰ পোহৰত পায়স্বিনীৰ ৰূপ চাবলৈ উদগ্ৰীৱ হৈ আছিলো। কিন্তু ঘুৰি আহোঁতে মোৰ মনটো মুঠেও ফৰকাল নাছিল কাৰণ বডিড়িকা এৰাৰ ঠিক আগে আগে মোৰ ডাঙৰ ভাই বিভূতিক হস্পিটেলত ভৰ্ত্তি কৰাৰ খবৰ পাইছিলো। দ্বিতীয়তে বতৰো ডাৱৰীয়া আছিল। গতিকে নদীৰ ফালে চাবলৈকে নহ'ল।